জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৯/২০২১

**মাজুলীত জলশক্তি মন্ত্ৰালয়ৰ অধীনৰ ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ দ্বাৰা আয়োজিত 'ব্ৰহ্মপুত্ৰ আমন্ত্ৰণ অভিযান' কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

# ব্ৰহ্মপুত্ৰ নদীক কেন্দ্ৰ কৰি পৰ্যটন, জলক্ৰীড়া, নদী পৰিবহন আদি দিশসমূহ বিকশাই তোলাৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ৫ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলীত ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ দ্বাৰা আয়োজিত 'ব্ৰহ্মপুত্ৰ আমন্ত্ৰণ অভিযান'ৰ এক অনুষ্ঠানত অংশ গ্ৰহণ কৰে। উল্লেখ্য যে নদীৰ সৈতে সহাৱস্থানৰ গুৰুত্বপূৰ্ণ দিশটোৰ প্ৰতি নৱ প্ৰজন্মৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে ব্ৰহ্মপুত্ৰৰ জলৰাশিৰ গুণাগুণ, খহনীয়া, অৱক্ষেপণ আৰু মৎস্য-বিবিধতা সন্দৰ্ভত অধ্যয়নৰ উদ্দেশ্যেৰে কেন্দ্ৰীয় জলশক্তি মন্ত্ৰণালয়ে ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ তত্বাৱধানত অৰুণাচল প্ৰদেশৰ গেলিঙৰ পৰা যোৱা ২৩ ডিচেম্বৰত এই নদী অভিযানত আৰম্ভ কৰা হৈছিল। এই অভিযানৰ নেতৃত্ব বহন কৰে ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু এন ডি আৰ এফে।

দৰিয়াপাৰৰ মাজুলী মহাবিদ্যালয় খেলপথাৰত আয়োজিত আজিৰ এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীসোণোৱালে কয় যে এই অভিযানৰ ফলত ব্ৰহ্মপুত্ৰৰ বুকুত নিহিত হৈ থকা বহু সম্ভাৱনাৰ উমান পোৱা যাব আৰু এই সম্ভাৱনাসমূহ বিকশিত কৰাৰ ক্ষেত্ৰত সঠিক পৰিকল্পনা যুগুত কৰিব পৰা যাব। ব্ৰহ্মপুত্ৰই অসমৰ জাতীয় জীৱন,কলা-সংস্কৃতি, পৰম্পৰা আদিৰ লগত ওতপ্ৰোতভাৱে জড়িত আৰু ইয়াৰ শক্তি সম্পূৰ্ণ ৰূপে বিকশাই তুলি অসমৰ উন্নয়নৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰাক-ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ ১২১ খন উপনৈৰে সমৃদ্ধ অসমক এই নদীসমূহৰ যোগেদি ক্ষিপ্ৰতাৰে বিকশাই তোলাৰ ক্ষেত্ৰত পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰ অভিযানৰ দৰে অভিযানৰ ফলত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বসবাস কৰা লোকসকলৰ বহনক্ষম উপাৰ্জনৰ পথ প্ৰশস্ত হ'ব। ব্ৰহ্মপুত্ৰ নদীক কেন্দ্ৰ কৰি পৰ্যটন, জলক্ৰীড়া, নদী পৰিবহন আদি দিশসমূহ বিকশাই তোলাৰ প্ৰয়োজন আছে বুলিও তেওঁ কয়। এই অভিযানৰ ফলত পোহৰলৈ অহা তথ্যসমূহৰ সহায়ত এক বাস্তৱমুখী আৰু বিজ্ঞানসন্মত পৰিকল্পনা প্ৰস্তুত কৰি ব্ৰহ্মপুত্ৰৰ পূৰ্ণ শক্তি বিকশাই তোলাটো সম্ভৱ হৈ উঠিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

এন ডি আৰ এফৰ ৰাফটিং টীম লিডাৰ সুহাসিনী শ্বেখাৱটে সভাত ভাষণ প্ৰদান কৰি কয় যে অৰুণাচলৰ গেলিঙৰ পৰা আৰম্ভ কৰা ৰাফটিং অভিযানে ৪৫০ কিলোমিটাৰ অতিক্ৰম কৰি মাজুলীত উপস্থিত হোৱাটো আনন্দৰ বিষয়। নদীখনৰ অঞ্চল ভেদে হোৱা গভীৰতা, প্ৰৱহনৰ স্ৰোত ইত্যাদি অনবদ্য অভিজ্ঞতাৰ কথা তেওঁ ভাষণ প্ৰসংগত আলোকপাত কৰে। তেওঁ কয় যে গংগাকে ধৰি ভাৰতবৰ্ষৰ অন্যান্য নদীসমূহৰ প্ৰদূষণতকৈ ব্ৰহ্মপুত্ৰৰ প্ৰদূষণৰ মাত্ৰা যথেষ্ট কম। এই নদীখনৰ পাৰিপাৰ্শ্বিক বাতাৱৰণ সংৰক্ষণ

কৰাৰ ক্ষেত্ৰত চৰকাৰ আৰু জনসাধাৰণে যৌথভাৱে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে অসমৰ নতুন প্ৰজন্মই ব্ৰহ্মপুত্ৰৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব।

আজিৰ এই অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, এন ডি আৰ এফৰ ইনস্পেক্টৰ জেনেৰেল অমৰেন্দ্ৰ কুমাৰ ছেংগাৰ, বিপিচিএলৰ পৰিচালন সঞ্চালক ৰিদীপ হাজৰিকা, ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ অধ্যক্ষ ৰাজীৱ যাদৱেও ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠনত উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**স্বাঃক্ষৰ / ৰাঃবঃ**
**৫/০১/২০২১**